# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাজ্য চৰকাৰে বিটিআৰ অঞ্চলৰ বাট পথ উন্নত কৰাৰ পৰিকল্পনাৰে পুনৰ ৪০০ কোটি টকা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ঐতিহাসিক বড়ো শান্তি চুক্তিৰ পঞ্চম বৰ্ষপুৰ্তি উপলক্ষে আজি কোকৰাঝাৰৰ গ্ৰীন ফিল্ডত আয়োজিত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিটিআৰৰ মুঠ ৬ হেজাৰ কিলোমিটাৰ বাট-পথৰ দুহেজাৰ কিলোমিটাৰ পথৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু বাকী চাৰি হেজাৰ কিলোমিটাৰ পথৰ নিৰ্মাণৰ কাম পৰ্যায়ক্ৰমে গ্ৰহণ কৰা হ'ব। চিৰাঙৰ সমীপত ভূটানৰ গেলেফুত সেই দেশৰ চৰকাৰে **গেলেফু মাইণ্ডফুলনেচ ছিটি** নামেৰে বৃহৎ মহানগৰ নিৰ্মাণৰ পৰিকল্পনা কৰা বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই মহানগৰৰ জৰিয়তে যাতে অসমো উপকৃত হ'ব পাৰে সেই উদ্দেশ্যে গুৱাহাটীৰ পৰা চিৰাং হৈ গেলেফুলৈ এটা নতুন ৰেলপথ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সময়ছোৱাত কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই বিষয়ে সদৰি কৰিব। মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বিটিচি চৰকাৰ বড়ো শান্তি চুক্তিৰ দফা ৰূপায়ণৰ বাবে বদ্ধপৰিকৰ আৰু চুক্তিখন সম্পূৰ্ণৰূপে ৰূপায়ণ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰ সংবিধানৰ ১২৫ সংখ্যক সংশোধনীৰ বাবে সাজু হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তথা বড়োলেণ্ড আন্দোলনৰ শ্বহিদ সকলৰ পৰিয়ালৈ এককালীন সাহায্য আৰু আন্দোলন প্ৰভাৱিত সদস্যৰ পৰিয়ালৈ চেকযোগে ধনৰাশি আগবঢ়ায়। তেওঁ লগতে একাংশ বিশিষ্ট শিল্পীলৈ সাংস্কৃতিক বঁটা প্ৰদান কৰে। অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিচি মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, সাংসদ জয়ন্ত বসুমতাৰী, ৰণগৌৰা নাৰ্জাৰী, উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে পাঠশালাত উপস্থিত হৈ ভট্টদেৱ ক্ষেত্ৰত হ'বলগীয়া অসম সাহিত্য সভাৰ আসন্ন সপ্তসপ্ততিতম দ্বিবাৰ্ষিক অধিবেশনৰ প্ৰস্তুতিৰ বুজ লয়। এই উপলক্ষে ড° শৰ্মাই সাংবাদিক, ৰাজনৈতিক নেতাসকলক একোখনকৈ কিতাপ কিনিবলৈ আহ্বান জনায়। তেওঁ লগতে সাহিত্য সভাৰ আসন্ন অধিবেশন সৰ্বাঙ্গসুন্দৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যান তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি কলকাতাত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে এখন বিনিয়োগ সন্মিলনত অংশ লৈ কয়, যে দক্ষিণ পূৱ এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে ৰাজ্যসমূহৰ ভিতৰত ভৌগলিকভাৱে অসম আটাইতকৈ সুবিধাজনক স্থিতিত আছে। সমৃদ্ধিশালী আন্তঃগাথনি আৰু উদ্যোগ অনুকুল নীতিৰে অসম এতিয়া বিনিয়োগৰ নিৰ্ভৰযোগ্য স্থানলৈ ৰূপান্তৰ হৈছে।

বিনিয়োগকাৰীসকলৰ সহায়ক হোৱাকৈ চৰকাৰে ঔদ্যোগিক নীতি প্ৰনয়ন কৰিছে। তেওঁ লগতে কয়, যে অনুকুল পৰিবেশৰ বাবেই অসমত শেহতীয়াকৈ টাটাই চেমিকনডাক্টৰ প্ৰকল্প স্থাপন কৰিছে। যোগীঘোপাত ভাৰতৰ প্ৰথমটো আন্তৰাষ্ট্ৰীয় বহুমুখী পৰিবহন উদ্যান স্থাপনৰ সিদ্ধান্তৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে আন কেইবাটাও অনুমোদিত প্ৰকল্পৰ কথা বিনিয়োগৰাকীসকলৰ আগত উল্লেখ কৰে।

০০০

অসম সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে সদস্য মহিয়ান, সাহিত্যচাৰ্য আৰু জাতীয় কবি সন্মান প্ৰাপকৰ নাম ঘোষণা কৰিছে। প্ৰাচ্যতত্ত্ববিদ বিশিষ্ট সাহিত্যিক, অধ্যাপক থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকালৈ সদস্য মহিয়ান সন্মান আগবঢ়োৱা হৈছে। গৱেষক, সাহিত্যিক, অধ্যাপক আনন্দ বৰমুদৈ, বিশিষ্ট সাহিত্যিক, অধ্যাপক ইদ্ৰিছ আলী, বিশিষ্ট ভাষাবিদ, অধ্যাপক ভীমকান্ত বৰুৱা আৰু গৱেষক সাহিত্যিক, অধ্যাপক কৰবী ডেকা হাজৰিকাক সাহিত্যচাৰ্য সন্মানেৰে বিভূষিত কৰা হৈছে। একেদৰে বিশিষ্ট কবি সাহিত্যিক আনিছ উজ জামানক জাতীয় কবিৰ সন্মান প্ৰদান কৰা হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ ডেৰাডুনত এটা আকৰ্ষণীয় অনুষ্ঠানৰ মাজেৰে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াক খেল প্ৰতিযোগিতাৰ উৰ্ধত বুলি উল্লেখ কৰে। এই প্ৰতিযোগিতা এক ভাৰতক প্ৰদৰ্শন কৰাৰ উত্তম মঞ্চ বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

অসমৰ খেলুৱৈসকলে কাইলৈ সাতোৰ, শ্যুটিং, বেডমিণ্টন আৰু উশ্যুত অভিযান আৰম্ভ কৰিব। ৰাজ্যৰ মহিলা বীচ্ছ্ হেণ্ডবল দলে আজি উত্তৰাখণ্ডক ২-০ ফলাফলত পৰাস্ত কৰি চেমিফাইনেলত প্ৰৱেশৰ আশা সজীৱ কৰি ৰাখে।

০০০

ইংলেণ্ডে গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতক জয়ৰ বাবে ১৭২ ৰাণৰ লক্ষ্য বান্ধি দিছে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ৬ অভাৰ ৩ টা বলত ৩টা উইকেট হেৰুৱাই ৮০ ৰাণ সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পুৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৭১ ৰাণ সংগ্ৰহ কৰে।

০০০

সমাপ্ত